জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৪৯/২০২২**

# ‘ড° বাণীকান্ত কাকতি মেধা বঁটা’ৰ অধীনত আনুষ্ঠানিকভাৱে স্কুটাৰ বিতৰণৰ কৰিলে মুখ্যমন্ত্ৰীয়ে

## সৰ্বমুঠ ৩৫,৮০০ গৰাকী ছাত্ৰ-ছাত্ৰীক ড° বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান

## উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ প্ৰাপ্ত ৬,০৫২ জন ছাত্ৰ আৰু ৬০ শতাংশতকৈ অধিক নম্বৰ প্ৰাপ্ত ২৯,৭৪৮ গৰাকী ছাত্ৰীক স্কুটাৰ বিতৰণ

## মেধাৱী ছাত্ৰ-ছাত্ৰীসকল অমৃত কালৰ অমৃত সন্তান ঃ মুখ্যমন্ত্ৰী

## স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে মহিলাসকলক বছৰি ১০ হাজাৰ টকাকৈ ষ্টাইপেণ্ড প্ৰদানৰ চিন্তা-চৰ্চা ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত এক অনুষ্ঠানত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা অনুষ্ঠিত হোৱা শেহতীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত নিৰ্দিষ্ট সীমাৰেখাৰ শতকৰা হাৰৰ ওপৰত উত্তীৰ্ণ হোৱা মেধাৱী পৰীক্ষাৰ্থীলৈ আনুষ্ঠানিকভাৱে আজি স্কুটাৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

উল্লেখ্য যে ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উৎকৰ্ষতাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে ‘প্ৰজ্ঞা ভাৰতী আঁচনি’ৰ অধীনত ‘ড° বাণীকান্ত কাকতি মেধা বঁটা’ প্ৰদানৰ আঁচনিখন আৰম্ভ কৰিছিল। চলিত বৰ্ষত প্ৰজ্ঞা ভাৰতীৰ অধীনত সৰ্বমুঠ ৩৫,৮০০ জন ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান কৰা হৈছে। ইয়াৰে ৬০৫২ জন ছাত্ৰ আৰু ২৯,৭৪৮ গৰাকী ছাত্ৰী। এই বঁটাৰ বাবে যোগ্যতা আহৰণ কৰিবলৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ছাত্ৰৰ বাবে ৭৫ শতাংশ বা তাতোধিক আৰু ছাত্ৰীৰ বাবে ৬০ শতাংশ বা তাতোধিক নম্বৰ নিৰ্দ্ধাৰণ কৰা হৈছিল। আজি কেন্দ্ৰীয়ভাৱে আয়োজিত এই অনুষ্ঠানত কামৰূপ মহানগৰ

আৰু কামৰূপ জিলাৰ যোগ্য ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্কুটাৰ বিতৰণ কৰা হয়। আনহাতে আন জিলাসমূহৰ ছাত্ৰ-ছাত্ৰীসকলক ডিচেম্বৰৰ ভিতৰত এই আঁচনিৰ অধীনত স্কুটাৰ বিতৰণ কৰা হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ড° বাণীকান্ত কাকতি মেধা বঁটাৰ বাবে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ বাবে আজিৰ দিনটো এক মাইলৰ খুটি হিচাপে চিহ্নিত হৈ ৰ'ব। তেওঁলোকৰ অধ্যয়নৰ প্ৰতি থকা কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰ বাবে এই বঁটাক সমাজৰ পৰা লাভ কৰা উপহাৰ আৰু আশীৰ্বাদ বুলি মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে।

ড° বাণীকান্ত কাকতি অসমৰ বৌদ্ধিক জগতৰ উজ্জ্বল নক্ষত্ৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এইগৰাকী সুযোগ্য অসম সন্তানৰ নামেৰে নামাকৰণ কৰা এই বঁটা প্ৰাপকৰ চূড়ান্ত তালিকাত নিৰ্বাচিত হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ ক্ষেত্ৰত উজলি উঠি ৰাষ্ট্ৰ আৰু জাতিৰ বাবে গৌৰৱ কঢ়িয়াই আনিব বুলি ভাষণত প্ৰগাঢ় আত্মবিশ্বাস প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক অনাগত ২৫ বছৰত অমৃত কাল হিচাপে গণ্য কৰিবলৈ জনোৱা আহ্বানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত দেশৰ উন্নতিৰ হকে উৎসৰ্গা কৰিবলৈ আহ্বান জনায়। তেওঁলোকক অমৃত কালৰ অমৃত সন্তান বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক স্বাধীনতাৰ ১০০ বছৰত অমৃত কাল উদ্‌যাপন সমাপনৰ লগে লগে জাতিটোৰে যাতে সঠিক মৰ্যাদাৰে শিখৰত আৰোহণ কৰিব পাৰে তাৰ বাবে তেওঁলোকৰ যোগ্যতা আৰু সামৰ্থৰ সঠিক ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

উন্নয়ন আৰু বিকাশৰ বাবে যুৱপ্ৰজন্মক নেতৃত্ব গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে যাতে কৃতিত্ব লাভ কৰিব পাৰে তাৰে বাবে অন্যান্য ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ফেৰমাৰি হাতে হাত ধৰি আগবাঢ়ি যাবলৈ আহ্বান জনায়।

উদ্ভাৱনৰ জগতখনে সকলোৰে বাবে লাভজনক আৰু বিকাশৰ সুযোগ কঢ়িয়াই অনাৰ পৰিপ্ৰেক্ষিতত ডিজিটেলাইজেশ্যন অহা কেইটামান দশকৰ বাবে উন্নয়নৰ মন্ত্ৰ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিবলৈ ভাষণ প্ৰসংগত আহ্বান জনায়। তেওঁ কয় যে উদ্ভাৱনে নিয়োগ প্ৰাৰ্থী হৈ থকাতকৈ নিয়োগ প্ৰদানকাৰী হোৱাটো নিশ্চিত কৰিব।

তেওঁ লগতে কয় যে অসমৰ যুৱক-যুৱতীসকলৰ নতুন যুগৰ প্ৰযুক্তি যেনে অগমেণ্টেড ৰিয়েলিটী, ভাৰ্চুৱেল ৰিয়েলিটী, ব্লক-চেইন, কোৱাণ্টাম কম্পিউটিং, কৃত্ৰিম বুদ্ধিমত্তা, বিগ ডাটা, এডভান্সড জিনমিক্স আদিৰ বিষয়ে অন্ততঃ মৌলিক ধাৰণা থাকিব লাগিব। এই বিষয়ে অজ্ঞ হৈ থাকিলে ভৱিষ্যতৰ দিনত তেওঁলোকৰ কেৰিয়াৰৰ ক্ষেত্ৰত ক্ষতিৰ সন্মুখীন হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যৰ যুৱক-যুৱতীসকলে ইতিমধ্যে নিজকে এই প্ৰযুক্তিগত বিপ্লৱৰ অংশ কৰি তুলিছে।

মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক আকাশ স্পৰ্শ কৰাৰ লক্ষ্য নিশ্চিত কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে অনাগত দিনত তেওঁলোকে নিজৰ আকাংক্ষাক তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিত যদিহে সীমাবদ্ধ

ৰাখে তেন্তে তেওঁলোকৰ প্ৰতিভাৰ অপচয় হ'ব বুলি ব্যক্ত কৰে।

ছাত্ৰ-ছাত্ৰীসকলে ইন্ধনৰ বাবে ধন খৰচ কৰিবলগীয়া হোৱাতো নাইকীয়া কৰাৰ নিমিত্তে অহা বছৰৰ পৰা ড° বাণীকান্ত কাকতি মেধা বঁটা প্ৰাপকসকলক অসম চৰকাৰে বৈদ্যুতিক স্কুটাৰ বিতৰণৰ বাবে চিন্তা-চৰ্চ্চা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে মহিলাসকলক বছৰি ১০ হাজাৰ টকাকৈ ষ্টাইপেণ্ড প্ৰদান কৰাৰ বাবে এখন আঁচনিৰ বিষয়েও চিন্তা-চৰ্চ্চা চলাই থকা হৈছে। ইয়াৰ দ্বাৰা তেওঁলোকৰ যাতায়াত আৰু অন্যান্য আনুসংগিক খৰচ বহন কৰাত সহায়ক হ'ব বুলি তেওঁ কয়। স্নাতকোত্তৰ পাঠ্যক্ৰম গ্ৰহণ কৰা মহিলাসকলক শিক্ষা বিভাগে এই উদ্দেশ্যে অহা কেইসপ্তাহ মানৰ ভিতৰতে মুকলি কৰিবলগীয়া অনলাইন প'ৰ্টেলত আৱেদন কৰিবলৈ তেওঁ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্ত, বিধায়ক মানৱ ডেকা, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱা, উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**আয়ন / হেঃশঃ**
**৩০/১১/২০২২**